# Telephone Conversation between Foreign Secretary and Secretary General, European External Action Service, European Union

November 16, 2021

---

# বিদেশ সচিব আৰু ইউৰোপীয় ইউনিয়নৰ ইউৰোপীয় বাহ্যিক ক্ৰিয়া সেৱাৰ প্ৰধান সচিবৰ মাজত ফোন যোগে বাৰ্তালাপ

নৱেম্বৰ 16, 2021

1. বিদেশ সচিব, হৰ্ষ বৰ্ধন শ্ৰীংলাই ইউৰোপীয় ইউনিয়নৰ ইউৰোপীয় বাহ্যিক ক্ৰিয়া সেৱাৰ (ইইএএছ) প্ৰধান সচিব, মিঃ ষ্টেফান' চান্নিনোৰ সৈতে ফোন যোগে বাৰ্তালাপ কৰে।

2. তেওঁলোকে আফগানিস্তানৰ ক্ষেত্ৰত উন্নয়ন আৰু অগ্ৰাধিকাৰৰ প্ৰতি ভাৰত আৰু ইউৰোপীয় ইউনিয়নৰ উমৈহতীয়া দৃষ্টিভঙ্গী আলোচনা কৰে। দুয়ো পক্ষই আফগানিস্তানক সন্ত্ৰাসবাদৰ বাবে এক ভূমি হিচাপে ব্যৱহাৰ হোৱা প্ৰতিৰোধ কৰাৰ গুৰুত্ব আৰু আফগানিস্তানৰ মহিলা, শিশু আৰু সংখ্যালঘুসকলৰ অধিকাৰৰ অৱস্থা উল্লেখ কৰে। শেহতীয়াকৈ অনুষ্ঠিত হোৱা আফগানিস্তানৰ ওপৰত দিল্লী আঞ্চলিক সুৰক্ষা বাৰ্তালাপ আৰু ইয়াৰ দিল্লী ঘোষণাও লগতে আলোচনা কৰা হয়।

3. বিদেশ সচিব আৰু প্ৰধান সচিবে লগতে ম্যানমাৰৰ পৰিস্থিতিৰ ওপৰত ভাব বিনিময় কৰে। তেওঁলোকে লগতে বেলাৰুছ-প'লেণ্ড সীমাত অব্যাহত পৰিস্থিতি আলোচনা কৰে। দুয়ো পক্ষই শীঘ্ৰে পৰিস্থিতিৰ গম্ভীৰতা হ্ৰাস কৰা আৰু এক সমিধানত উপনীত হোৱাৰ গুৰুত্ব উল্লেখ কৰে।

4. পাৰস্পৰিক ৰুচীৰ বিষয়সমূহৰ ওপৰত বিদেশ সচিব আৰু প্ৰধান সচিব স্তৰত পৰ্য্যাবৃত্ত ভাব বিনিময় অব্যাহত ৰাখিবলৈ সন্মত হোৱা হয়।

**নতুন দিল্লী**
**নৱেম্বৰ 16, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.